# 2020

( Held in 2021 )

ASSAMESE

( Elective )

Paper : 5.2

*Full Marks* : 56

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

## শাখা—ক

( *নম্বৰ* : ২৮ )

১। অতি চমু উত্তৰ দিয়া (এটা বা দুটা শব্দত) : ১×৪=৪

(ক) ‘ৰামবিজয়’ নাটৰ মূল বিষয়বস্তু ক’ৰ পৰা লোৱা হৈছে?

(খ) ‘লভিতা’ কোন খ্ৰীষ্টাব্দত প্ৰকাশিত হৈছিল?

(গ) মুহিৰামৰ দেউতাকে কি কাম কৰিছিল?

(ঘ) বাবাজী কোন?

২। চমু উত্তৰ দিয়া (দুটা বা তিনিটা শব্দত) : ২×৩=৬

(ক) ‘ভুজংগ’ আৰু ‘কবিকৰ’ মানে কি কি?

(খ) লভিতাৰ জন্ম হোৱা গাঁওখনৰ নাম কি? গাঁওখনৰ ওচৰতে কোনটো এৰোড্ৰাম আছিল?

(গ) বনবীয়া হাতীৰ ডিঙিত ফান্দ লগোৱাজনক কি বুলি কয় আৰু হাতী চিকাৰত মাউতক কি বুলি কয়?

৩। তলৰ প্ৰশ্নসমূহৰ পৰা যি কোনো তিনিটাৰ উত্তৰ কৰিবা (আঠটাৰ পৰা চৌধ্যটা শব্দৰ ভিতৰত) : ৬×৩=১৮

(ক) 'ৰামবিজয়' নাটৰ আন এটা নাম কি? এই নাটখন ৰচনাত শঙ্কৰদেৱক অনুপ্ৰেৰণা যোগোৱা ব্যক্তিগৰাকী কোন? কোন ঠাইত, কোন শকত এই নাটখন ৰচনা কৰা বুলি জনা যায়? শঙ্কৰদেৱৰ সৰ্ববৃহৎ নাটখনৰ নাম কি? শেষ ৰচনা বুলি শঙ্কৰদেৱৰ কোনখন গ্ৰন্থক কোৱা হয়?

(খ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম কোন চনত আৰু কোন ঠাইত হৈছিল? 'লভিতা'ত কোন সময়ৰ চিত্ৰ পোৱা যায়? লভিতাৰ পিতৃ তথা প্ৰেমিকগৰাকীৰ নাম কি কি? কাৰ ঘৰত পোনতে লভিতাই আশ্ৰয় ল'বলগীয়া হৈছিল?

(গ) "সিহঁত মোৰ জাতি ভাই। আপোন মানুহ। জগৰু কাকা মোৰ বাপৰ দৰে। বস্তিৰ মানুহ মোৰ ভাই-ককাইৰ দৰে। আপোনাৰ এই হুকুম মই পালন কৰিব নোৱাৰো দেউতা।"

এই কথাখিনি কোনে, কাক আৰু কিয় কৈছিল?

(ঘ) "মানুহবোৰ সাহসী হৈছে, মনে বল পাইছে। সিহঁতে বুজিছে যে—এই মাটি আমাৰ। এই দেশ আমাৰ।"

কোনে, কাৰ আগত আৰু কি প্ৰসঙ্গত এই কথাখিনি প্ৰকাশ কৰিছিল?

(ঙ) “গোলামী বুলি ক'ব কেলেই? সেইবোৰ শব্দ শুনিলেই মোৰ বেয়া লাগে। নিজৰ ঘৰৰ মানুহ বুলি তোক জ্ঞান কৰোঁ। তই ক'ব গোলামী বুলি।”

এই কথাখিনি কোনে, কাক, কি প্ৰসংগত কৈছিল?

## শাখা—খ

( *নম্বৰ*: ২৮ )

৪। তলত দিয়া প্ৰশ্নসমূহৰ পৰা যি কোনো চাৰিটাৰ উত্তৰ কৰিবা (ষাঠিৰ পৰা সত্তৰটা শব্দত উত্তৰ দিয়া) : ৭×৪=২৮

(ক) অঙ্কীয়া নাট আৰু অভিনয়ৰ সৈতে সংস্কৃত নাট সম্পৰ্কীয় বিষয়ক এটি আলোচনা দাঙি ধৰা।

(খ) “‘ৰামবিজয়’ৰ প্ৰধান চৰিত্ৰসমূহক কম পৰিসৰতে প্ৰকাশ কৰাত নাট্যকাৰৰ দক্ষতা প্ৰকাশ হৈছে।”

এই কথাষাৰিৰ ভিত্তিত এক আলোচনা আগবঢ়োৱা।

(গ) ‘লভিতা’ নাটকখনৰ চৰিত্ৰ, ঘটনা আৰু সংলাপৰ বাস্তৱমুখিতা সম্পৰ্কে লিখা।

(ঘ) ‘হাতী আৰু ফান্দী’ নাটকৰ সংলাপ ৰচনাৰ ক্ষেত্ৰত নাট্যকাৰৰ পাৰদৰ্শিতা সম্পৰ্কে এক আলোচনা দাঙি ধৰা।

(ঙ) ‘মাদল’ নাটকখনৰ মাজেৰে চাহ-জনগোষ্ঠীৰ জীৱন-শৈলীৰ কোনবোৰ দিশ ৰূপায়িত হৈছে?

(চ) ‘মাদল’ নাটকখনত বৰ্ণিত সৰ্বহাৰা এক শ্ৰেণী চাহ মজদুৰৰ একত্ৰিত বিপ্লৱী যাত্ৰা সম্পৰ্কে উদাহৰণসহ লিখা।

★★★